**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-09-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্য চৰকাৰৰ অধীনৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত ২০১ গৰাকী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগত ৮১ গৰাকী প্ৰাৰ্থীক আজি আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিয়লি অনুষ্ঠিত হ'বলগীয়া নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিভাগীয় মন্ত্ৰী অশোক সিংহল আৰু জয়ন্ত মল্লবৰুৱাও উপস্থিত থাকিব।

আজি নিযুক্তি লাভ কৰিবলগীয়াসকলৰ ভিতৰত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত বিত্তীয় ব্যৱস্থাপনা বিষয়া ১০১টা আৰু নগৰাঞ্চলৰ কাৰিকৰী বিষয়া ১০০টা তথা জনস্বাস্থ্য কাৰিকৰী বিভাগত সহকাৰী অভিযন্তাৰ ৮১টা পদ আছে। আজিৰ এই ২৮২টা নতুন নিযুক্তিৰ পাছতেই ৰাজ্য চৰকাৰৰ নিযুক্তি সমাৰোহৰ অধীনত চৰকাৰী চাকৰিত নিযুক্তিপ্ৰাপ্তৰ সংখ্যা ১ লাখ ২৪ হাজাৰ ৬২৭লৈ বৃদ্ধি পাব।

০০০০০০০

ৰাজ্যখনৰ অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা ইচ্ছুক যুৱক-যুৱতীসকলক জলপানি প্ৰদানৰ বাবে অসমৰ ৰাজভৱনৰ তৰফৰ পৰা ৰাজ্যপালৰ **অসমৰ প্ৰতিভা উদগণিমূলক আঁচনি ২০২৪-২৫**ৰ অধীনত আবেদন প্ৰ-পত্ৰ আহ্বান কৰা হৈছে। ইয়াৰ দ্বাৰা যোগ্য প্ৰাৰ্থীসকলক বিত্তীয় সাহায্য আৰু গুণগত প্ৰশিক্ষণ প্ৰদান কৰি তেঁওলোকক অসামৰিক বিষয়া হোৱাৰ বাবে যোগ্য কৰি তোলা হ'ব। প্ৰাৰ্থীসকলক gappy.assam.gov.in-ৰ জৰিয়তে ২৭ ছেপ্তেম্বৰ অৰ্থাৎ কাইলৈ বিয়লি ৫ বজাৰ পৰা অহা ৬ অক্টোবৰৰ বিয়লি ৫ বজাৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ অনলাইনযোগে দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে।

প্ৰাৰ্থীসকলক সদৌ অসম প্ৰতিভা সন্ধানী পৰীক্ষা আৰু তাৰ পাছত গ্ৰুপ কাউন্সেলিং তথা ব্যক্তিগত সাক্ষাৎকাৰৰ জৰিয়তে বাছনি কৰা হ'ব। ২০ অক্টোবৰত লিখিত পৰীক্ষা, ২৭ অক্টোবৰ লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা আৰু পৰ্যায়ক্ৰমে গ্ৰুপ কাউন্সেলিং তথা সাক্ষাৎকাৰৰ অন্তত ১৮ নৱেম্বৰত চূড়ান্ত ফলাফলৰ ঘোষণা কৰা হ'ব। অধিক তথ্যৰ বাবে প্ৰাৰ্থীসকলে pratibhaprotsahanyojana@gmail.com লৈ মেইল কৰিব পাৰিব।

০০০০০০০

উচ্চ ৰক্তচাপ, বহুমূত্ৰ আদিকে ধৰি বিভিন্ন ৰোগৰ ৫৩ বিধ ঔষধ নিৰাপদ নহয় বুলি কেন্দ্ৰীয় ঔষধ মান নিয়ামক সংস্থাই প্ৰকাশ কৰিছে। চি.ডি.এছ.চি.অ' নামৰ ঔষধৰ নিয়ামক সংস্থাই এই কেইবিধ ঔষধ ব্যৱহাৰৰ অযোগ্য বুলি ঘোষণা কৰে। শৰীৰৰ বাবে হানিকাৰক এই ৫৩ বিধ ঔষধ হৈছে কেইবা প্ৰকাৰৰ পেৰাচিটামল, পেন-ডি, শ্বেলকেল, ভিটামিন-ডি কমপ্লেক্স, টেলমিচাৰটেন আদি। উল্লেখযোগ্য যে ৰোগীৰ শৰীৰ বাবে হানিকাৰক এই ৫৩ বিধ ঔষধ দেশত বহুলভাৱে প্ৰচলন হৈ আছিল। বিশেষকৈ হিন্দুস্তান এণ্টিবায়টিক্স লিমিটেড, মেগা লাইফ ছায়েন্সেছ, কিঅ'ৰ হেলথ কেয়াৰ কোম্পানী আদিয়ে প্ৰস্তুত কৰা অধিকাংশ ঔষধে মান নিৰূপণ পৰীক্ষাত ব্যৰ্থ হৈছে।

০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ**ৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাঁথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুযোগ বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত

শ্ৰেণীৰ সৱলীকৰণ বৃদ্ধি হোৱা দেখা গৈছে। মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰিছে। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২ দশমিক ৩ - ০ লাখ কোটি টকা ৰাজ সাহায্যৰে এক কোটি নগৰীয়া গৃহ নিৰ্মাণ কৰা হৈছে। একেদৰে **পি এম সূৰ্য ঘৰ** যোজনাৰ অধীনত ৩ লাখ ৫ হাজাৰ ঘৰত সৌৰ ব্যৱস্থা স্থাপন কৰাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হৈছে। মুদ্ৰা ঋণ ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি ঔদ্যোগিকৰণৰ ক্ষেত্ৰতো উত্থান ঘটোৱা হৈছে। ইফালে ইউনিফাইড পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰাৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণ নিশ্চিত কৰিবৰ বাবে এটা পদবী, এটা পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তনকে ধৰি মেট্ৰ' প্ৰকল্প, ইলেক্ট্ৰনিক বাছ আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

আনহাতে, মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে।

oooooooo

ভাৰতে কালি ২০ বছৰ অনুৰ্দ্ধৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী খেলত মংগোলীয়াক ৪-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে গ্ৰুপ-জিত ৩ পইণ্ট অৰ্জন কৰে। ভাৰতৰ হৈ কেলভিন সিং, কৰৌ সিং থিনগুজামে এটাকৈ আৰু মাংলেনথাং কিপগেনে দুটা গল দিয়ে। পৰৱৰ্তী খেলখনত ভাৰত কাইলৈ ইৰানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গ্ৰুপৰ শীৰ্ষত থকা দলটোৱে চীনত অহা বছৰ হ'বলগীয়া চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতালৈ পোনপতীয়াকৈ যোগ্যতা অৰ্জন কৰিব।

ooooooo

**সমাপ্ত**